জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭/২০২১

**জলজীৱন অভিযানৰ ৰূপায়ণৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ৰূপায়িত পানীযোগান প্ৰকল্পসমূহৰ বাবে ব্যৱস্থাপনা নীতি তৈয়াৰ কৰাৰ নিৰ্দেশ দিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকলৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি 'জলজীৱন অভিযান' ৰূপায়ণৰ অগ্ৰগতিৰ বিস্তৃত পৰ্যালোচনা কৰে। উক্ত বৈঠকত মুখ্যমন্ত্ৰীয়ে এই অভিযানৰ অধীনত ৰূপায়িত হৈ থকা পানী যোগান আঁচনিসমূহ দীৰ্ঘকালীনভাৱে চলাই থকাতো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

উল্লেখ্য যে জলজীৱন অভিযানৰ অধীনত ২০২৪ চনৰ ভিতৰত ভাৰতবৰ্ষৰ গ্ৰামাঞ্চলৰ সকলো পৰিয়াললৈ পাইপৰ জৰিয়তে বিশুদ্ধ খোৱাপানীৰ যোগান নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে বিভাগৰ দ্বাৰা সংযোজিত কৰা পানীৰ পাইপসমূহৰ মানদণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভাগক ৰূপায়ণৰ ব্যৱস্থাৱলী নিৰীক্ষণ কৰি ব্যৱহাৰ কৰা সামগ্ৰীৰ মান সুনিৰ্দিষ্ট কৰাৰ লগতে ব্যৱস্থাপনা নীতি প্ৰস্তুত তথা অভিযানৰ অধীনত সৃষ্টি কৰা প্ৰকল্পসমূহ দীৰ্ঘকালীনভাৱে কাৰ্যক্ষম কৰি ৰখাৰ কৌশল ইত্যাদি নিৰ্দ্ধাৰণ কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। এই আঁচনিৰ বাবে ভূ-পৃষ্ঠৰ জলৰাশিৰ উৎসৰ পৰিৱৰ্তনে আঁচনিখন অকাৰ্যক্ষম কৰি তোলাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আঁচনিখন ৰূপায়ণৰ আগতে বিজ্ঞানসন্মত পৰীক্ষা-নিৰীক্ষা কৰাৰ উপৰি পানীৰ গুণগত মানৰ বিষয়ে সবিশেষ অধ্যয়ন কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে আঁচনিখন সফল কৰি তোলাৰ বাবে প্ৰয়োজন হোৱা মানৱ সম্পদ তাৎক্ষণিকভাৱে নিয়োগ কৰাৰ ব্যৱস্থা লোৱাৰ উপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা আঁচনিসমূহ দীৰ্ঘকালীনভাৱে কাৰ্যক্ষম কৰি ৰখাৰ দিশত সহায়ক হোৱাকৈ উদ্ভাৱনীমূলক কৌশল প্ৰয়োগ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই আঁচনিৰ কাম-কাজসমূহ দ্ৰুততৰ কৰি তোলাৰ বাবে মাণ্ডলিক পৰ্যায়ত ঠিকাদাৰসকলৰ সৈতে বৈঠকৰ আয়োজন কৰি ইয়াৰ ৰূপায়ণৰ বিভিন্ন দিশসমূহ পৰ্যালোচনা কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত জনস্বাস্থ্য কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাছী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আয়ুক্ত সচিব আকাশদ্বীপৰ লগতে অন্যান্য জেষ্ঠ্য বিষয়াসকলে অংশগ্ৰহণ কৰে।

**বীঃগঃ / বঃভাঃ**
**২৮/০৫/২০২১**